২। লোক জৈৱবৈচিত্ৰ্য পঞ্জীয়ন পুস্তকত লিপিবদ্ধ কৰা জানিবলগীয়া কথাসমূহ বা লিপিবদ্ধ জ্ঞানৰ সুৰক্ষাৰ বাবে জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহ আৰু স্থানীয় সমিতিসমূহ দায়বদ্ধ। বিশেষকৈ বাহিৰা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে যাতে নিয়ন্ত্ৰিত ৰূপতহে তেনে পঞ্জীয়ন পুস্তকৰ বিষয়ে জানিব পাৰে তাৰ প্ৰতি সেই দায়বদ্ধ গোটসমূহ সতৰ্ক হ'ব লাগে।

৩। স্থানীয় বৈদ্য/ বেজ /ওজা আৰু অন্যান্য ব্যক্তিয়ে জৈৱ সম্পদৰ ব্যৱহাৰ কৰা প্ৰসংগত তেওঁলোকৰ বিষয়ে যথাযথ তথ্য নিজৰ জিম্মাত ৰখাৰ ক্ষেত্ৰত জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহে তেনে ব্যক্তিয়ে কিবা অনুদান লাভ কৰাৰ প্ৰসংগত ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদৰ পৰামৰ্শ আগবঢ়াব পাৰে।

**জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিৰ অন্যান্য দায়িত্ব ঃ**

জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহে স্থানীয় জৈৱবৈচিত্ৰ্য পুঁজিৰ গঠন আৰু সমিতিসমূহৰ নিৰ্ধাৰিত অনুষ্ঠানত তেনে পুঁজিৰ ব্যয় কৰিব লাগে। তেওঁলোকে হিচাপ পৰীক্ষণৰ বাবে হিচাপসমূহ নিয়াৰিকৈ উলিয়াই থ'ব লাগে, যাতে স্থানীয় গোটসমূহলৈ প্ৰেৰণ কৰা বাৰ্ষিক প্ৰতিবেদনত সেই হিচাপ সন্নিৱিষ্ট কৰিব পৰা যায়।

**জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিৰ কাৰ্যকাল ঃ**

এই সমিতিৰ অধ্যক্ষগৰাকী আৰু বে-চৰকাৰী সদস্যসকলৰ কাৰ্যকাল পাঁচ বছৰীয়া বা তেওঁলোকৰ কাৰ্যকাল স্থানীয় নিৰ্বাচিত গোটটোৰ লগত প্ৰায় একেই

**জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহৰ আৰ্থিক উৎসসমূহ ঃ**

এই সমিতিসমূহে তলত উল্লেখ কৰা প্ৰণালীৰ মাধ্যমেদি পুঁজি আহৰণ কৰে ঃ

১। ৰাষ্ট্ৰীয় জৈৱবৈচিত্ৰ্য কৰ্তৃপক্ষ, ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ আৰু ৰাজ্য চৰকাৰৰ পৰা আৰ্থিক অনুদান আৰু ঋণ লাভ কৰে।

২। জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহে বিভিন্ন উৎসৰ পৰা পুঁজি আহৰণ কৰিব পাৰে। তেওঁলোকে দান-বৰঙণিৰ ৰূপতো পুঁজি আহৰণ কৰে। ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰ, অন্যান্য কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰিষদ, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু বাণিজ্যিক প্ৰতিষ্ঠানৰ পৰাও সমিতিসমূহে পুঁজি আহৰণ কৰিব পাৰে।

৩। মাচুল, লাইচেঞ্চৰ মাচুল, লেভি, ৰয়েল্‌টি আৰু অন্যান্য উৎসৰ পৰাও এই সমিতিসমূহে পুঁজি আহৰণ কৰে।



**স্থানীয় জৈৱবৈচিত্ৰ্য পুঁজিসমূহৰ পৰিচালনা প্ৰণালী ঃ**

স্থানীয় জৈৱবৈচিত্ৰ্য পুঁজিক জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিয়ে স্বীকৃতি দিয়া এটা ৰাষ্ট্ৰীয়কৃত বেংকত জমা কৰিব লাগিব। এই পুঁজিৰ ধনৰ লেন-দেনৰ ক্ষেত্ৰত সমিতিৰ অধ্যক্ষ গৰাকীয়ে আগভাগ ল'ব লাগিব বা ব্যৱস্থাপনা সমিতিখনৰ অন্য কোনো বিষয়াই দায়িত্ব ল'ব লাগিব। এই ক্ষেত্ৰত অধ্যক্ষগৰাকীৰ ছীল আৰু হস্তাক্ষৰৰ প্ৰয়োজন। কেতিয়া সমিতিৰ কোনো দায়িত্বশীল ভাৰপ্ৰাপ্ত বিষয়াই পুঁজিৰ লেন-দেনত আগভাগ ল'ব পাৰে।

**অভিযোগ নামা দাখিল আৰু জাননী বা নটিছ্ দিয়া পদ্ধতি ঃ**

ৰাজ্যিক জৈৱ বৈচিত্ৰ্য পৰিষদৰ আওতাৰ ভিতৰত পৰাকৈ যদি কোনো ব্যক্তি/ ব্যক্তিসমূহ বা গোষ্ঠী বা স্থানীয় গোট বা জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহে জৈৱবৈচিত্ৰ্য আইন, ২০০২ৰ কোনো দফাৰ বিৰুদ্ধে কাৰ্য কৰে বা তেনে দফা অবমাননা কৰে, তেতিয়াহ'লে অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদলৈ Form-VII ত অভিযোগকাৰীয়ে ত্ৰিশ দিনৰ ভিতৰত অভিযোগনামা লিখি তাক পৰিষদৰ ওচৰত দাখিল কৰিব লাগে।






*১৯৯২ চনৰ ৫ জুন তাৰিখে ব্ৰাজিলৰ ৰিঅ'ডি জেনেৰিঅ'ত অনুষ্ঠিত হোৱা ধৰিত্ৰী বৈঠকত (Earth Summit) তাৰ সদস্যভুক্ত ৰাষ্ট্ৰসমূহে জৈৱ বৈচিত্ৰ্য বৈঠকত চনদত হস্তাক্ষৰ কৰে। সেই চনদখন ১৯৯৩ চনৰ ২৯ ডিচেম্বৰৰ পৰা কাৰ্যকৰী হয়। ১৯৯৪ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখত ভাৰতবৰ্ষ সেই বৈঠকত সদস্যভুক্ত ৰাষ্ট্ৰ হয়। সম্প্ৰতি ইয়াৰ সদস্যভুক্ত ৰাষ্ট্ৰৰ সংখ্যা ১৯৩ খন। এই বৈঠকৰ দুটা আনুষ্ঠানিক আচাৰ বিধি আছে। এটা হৈছে কাৰ্টাজে'ন প্ৰ'ট'কল (জৈৱ সুৰক্ষাৰ বিষয়সমূহৰ লগত জড়িত) আৰু দ্বিতায়টো হৈছে নাগয়া প্ৰ'ট'কল (সম্পদৰ আহৰণ আৰু লাভালাভৰ সম বিতৰণ)।*







***For further details please contact:***

***Member Secretary,***
***Assam State Biodiversity Board***
***Paryatan Bhawan, 1st Floor,***
***A.K. Azad Road, Rehabari,***
***Guwahati- 781008***
***Email: assambioboard@gmail.com***
***Website: www.asbb.gov.in***
***Phone: 0361- 2733917; Fax: 0361- 2733780***


অসম ৰাজ্যিক জৈৱ-বৈচিত্ৰ্য পৰিষদ
ASSAM STATE BIO-DIVERSITY BOARD

সত্যমেব জয়তে

# অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ

*(অসম চৰকাৰে বিধিসন্মতভাৱে সৃষ্টি কৰা এটা অনুষ্ঠান)*




**আমাৰ লক্ষ্য ঃ**

এক প্ৰাচুৰ্য্যময়, সুৰক্ষিত আৰু
অৰ্থনৈতিকভাৱে লাভদায়ক জৈৱ বৈচিত্ৰ্যৰ স্থিতি

**আমাৰ অভিযান ঃ**

জৈৱ সম্পদৰ সংৰক্ষণ আৰু যথোচিত ব্যৱহাৰৰ বাবে
স্থানীয় লোকক মালিকীস্বত্ব প্ৰদান আৰু
বাণিজ্যিক ব্যৱহাৰত লাভালাভৰ সমবিতৰণ

## অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ

জৈৱ বৈচিত্ৰ্য হৈছে সকলো উৎসৰ প্ৰাণ থকা জীৱৰ মাজত থকা পৰিৱৰ্তনশীলতা। ইয়াত স্থল, সামুদ্ৰিক আৰু অন্যান্য জলজ পৰিস্থিতিতন্ত্ৰৰ লগতে সিবিলাক যি জটিল পৰিস্থিতিতন্ত্ৰৰ অন্তৰ্গত সেয়াও ইয়াত অন্তৰ্ভুক্ত হয়, লগতে ই বিভিন্ন প্ৰজাতিৰ ভিতৰত থকা বৈচিত্ৰ্য, প্ৰজাতি আৰু পৰিস্থিতিতন্ত্ৰৰ মাজত থকা বৈচিত্ৰ্যও সামৰে। চমুকৈ ক'বলৈ গ'লে জৈৱ বিচিত্ৰ্য হৈছে সেই ব্যাপক শৃঙ্খলা যিয়ে পৃথিৱীৰ জলভাগ আৰু স্থলভাগত বাস কৰা সকলো প্ৰকাৰৰ উদ্ভিদ, জীৱজন্তু, কীট-পতঙ্গ আৰু অণুজীৱ- সকলোকে সামৰে। মানৱ সভ্যতাই প্ৰাণ ধাৰণৰ হেতু প্ৰয়োজন হোৱা প্ৰাথমিক আৱশ্যকতাসমূহৰ বাবে প্ৰত্যক্ষভাৱেই হওক অথবা পৰোক্ষভাৱেই হওক এই জৈৱ বৈচিত্ৰ্যৰ ওপৰত নিৰ্ভৰশীল। সেই প্ৰাথমিক আৱশ্যকতাসমূহৰ ভিতৰত খাদ্য, পশুধনৰ খাদ্য (Fodder), ইন্ধন, আঁহ (Fibre), সাৰ, কাঠ, পানীয় দ্ৰব্য, ৰবৰ, চামৰা, ঔষধ, বিভিন্ন কেঁচা সামগ্ৰী (raw materials), ইত্যাদি অন্তৰ্ভুক্ত। এই বৈচিত্ৰ্য হৈছে পাৰিপাৰ্শ্বিকতাৰ দীৰ্ঘকালীন বহনক্ষম পৰিস্থিতি, পৃথিৱীত জীৱৰ ধাৰাবাহিকতা আৰু তাৰ অখণ্ডতা ৰক্ষাৰ বাবে যত্নপৰ হোৱা। এতিয়া মানুহ সজাগ হ'ল। তেওঁলোকে এইটো উপলব্ধি কৰিছে যে বসতিস্থলৰ অভাৱ, থলুৱা পৰম্পৰাগত জ্ঞানৰ সংকোচনৰ লগত জড়িত বনজ প্ৰজাতিসমূহৰ বিলুপ্তি আদিয়ে বিশ্বৰ সৰ্বত্ৰতে জৈৱ সম্পদসমূহৰ ক্ৰমাগত বিলুপ্তিৰ কথা সূচাইছে।

এইদৰে বিশ্বৰ সৰ্বত্ৰতে উদ্বেগজনক হাৰত বৃদ্ধি পাবলৈ ধৰা জৈৱ বৈচিত্ৰ্যৰ ক্ষয়ে ১৯৯২ চনত অনুষ্ঠিত হোৱা জৈৱবৈচিত্ৰ্য সন্মিলনে (convention on Biological Diversity (CBD)) হাতত লোৱা পদক্ষেপসমূহ কাৰ্যকৰী কৰিছিল। এই সন্মিলনে ৰাজ্যসমূহৰ নিজস্ব ভৌগোলিক সীমাৰেখাৰ ভিতৰত থকা জৈৱ সম্পদসমূহৰ ওপৰত থকা ৰাজ্যসমূহৰ সাৰ্বভৌম কৰ্তৃত্বক স্বীকৃতি প্ৰদান কৰে। এই সন্মিলনে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ দেশৰ জৈৱ সম্পদসমূহৰ ব্যৱস্থাপনাৰ বাবে ভাৰত চৰকাৰে জৈৱ বৈচিত্ৰ্য আইন, ২০০২ বিধিবদ্ধ কৰে। এই আইনখনে জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণ, জৈৱ বৈচিত্ৰ্যৰ এনেধৰণৰ বহনক্ষম প্ৰয়োগ যাতে ইয়াৰ ভাণ্ডাৰ শেষ হৈ নাযায়, জৈৱ সম্পদসমূহক কামত লগোৱাৰ ফলত সৃষ্টি হোৱা লাভালাভৰ ভাগ আৰু তাৰ পৰা প্ৰাপ্ত জ্ঞান যাতে সকলোৱে সম পৰিমাণে লাভ কৰিব পাৰে —এই দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ত এই আইনখন কাৰ্যকৰী কৰিবলৈ ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য কৰ্তৃপক্ষ (NBA) গঠন কৰা হৈছে। আইনখন বিকেন্দ্ৰীভূতভাৱে কাৰ্যকৰী কৰিবলৈ ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ (SBB) আৰু স্থানীয় পৰ্যায়ত জৈৱ বৈচিত্ৰ্য ব্যৱস্থাপনা সমিতি (BMC) গঠন কৰা হৈছে।










জৈৱ বৈচিত্ৰ্য আইন, ২০০২ (২০০৩ ৰ আইন নং ১৮)ৰ ধাৰা ২২ ৰ উপধাৰা (১) ৰ অধীনত প্ৰদত্ত ক্ষমতাৰ কাৰ্যকৰীকৰণৰ বাবে অসম চৰকাৰে ২০১০ চনৰ ২৯ চেপ্তেম্বৰ তাৰিখে অসম জৈৱ বৈচিত্ৰ্য পৰিষদ গঠন কৰে। এই পৰিষদ গঠনৰ দ্বাৰা অসম চৰকাৰে ৰাজ্যখনৰ জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণ আৰু জৈৱ বৈচিত্ৰ্যৰ উপাদানসমূহৰ বহনক্ষম প্ৰয়োগৰ ওপৰত জোৰ দিলে যাতে ইয়াৰ ভাণ্ডাৰ শেষ হৈ নাযায়, জৈৱ সম্পদসমূহ কামত লগোৱাৰ ফলত সৃষ্টি হোৱা লাভালাভৰ ভাগৰ সমবিতৰণ আৰু সেই সম্পদসমূহৰ লগত জড়িত পৰম্পৰাগত জ্ঞান আৰু জড়িত অন্যান্য আনুষংগিক দিশৰ প্ৰতি গুৰুত্ব দানত মনোনিবেশ কৰিলে।

**পৰিষদৰ সদস্যসকল ঃ**

অসম ৰাজ্যিক জৈৱ বৈচিত্ৰ্য পৰিষদ (ASBB)ৰ অধ্যক্ষ হৈছে অসম চৰকাৰৰ অতিৰিক্ত মুখ্যসচিব গৰাকী। অসম চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ লগত জড়িত পাঁচ গৰাকী পদেন সদস্যৰ লগতে পাঁচ গৰাকী বিশেষজ্ঞ এই পৰিষদত থাকে যি কেইগৰাকী জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনাৰ বিভিন্ন দিশৰ বিশেষজ্ঞ।

**অসম ৰাজ্যিক জৈৱ বৈচিত্ৰ্য পৰিষদৰ কাৰ্যাৱলী ঃ**

১। পৰিষদে চৰকাৰক জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণৰ লগত জড়িত বিভিন্ন বিষয়ত পৰামৰ্শ দিব পাৰে। জৈৱ সম্পদৰ বহনক্ষম ব্যৱহাৰৰ বাবে পৰামৰ্শ দিয়ে যাতে ইয়াৰ ভাণ্ডাৰ শেষ হৈ নাযায় আৰু জৈৱ সম্পদসমূহক কামত লগোৱাৰ ফলত সৃষ্টি হোৱা লাভালাভৰ ভাগ আৰু জ্ঞান যাতে সকলোৱে সম পৰিমাণে লাভ কৰিব পাৰে;

২। ভাৰতীয় লোকে জৈৱ সম্পদৰ বাণিজ্যিক উপযোগিতা সৃষ্টি কৰা বা জৈৱ জৰীপ কৰাক লৈ নিৰ্ধাৰিত বিধি ব্যৱস্থাৰ আওতাত অনুমোদন জনোৱা কাৰ্য;

৩। আৱিষ্কাৰ, জৈৱবৈচিত্ৰ্যৰ তালিকাভুক্তকৰণ, নিঃশেষ হ'ব ধৰা জৈৱবৈচিত্ৰ্যৰ নিৰীক্ষণ, ৰাজহুৱা জাগৰণ সৃষ্টি, জৈৱবৈচিত্ৰ্যৰ সুৰক্ষাৰ বাবে সিদ্ধান্ত গ্ৰহণকাৰী আৰু পৰিকল্পনা বিশেষজ্ঞৰ সৃষ্টি, বৈজ্ঞানিক, প্ৰশাসনিক, আইনগত আৰু আৰ্থ-সামাজিক পদক্ষেপ গ্ৰহণ;

৪। জৈৱ বৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহৰ কাৰ্যাৱলীৰ সুসমন্বয় ঘটোৱা;

৫। লিখিত আৰু মৌখিকভাৱে জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহক নিৰ্দেশনা দিয়া যাতে আইনখনৰ দফাসমূহ যথাযথভাৱে কাৰ্যকৰী হয়। তাৰ লগতে সেই সমিতিসমূহে যাতে যথাযথ ৰূপত জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণ, বহনক্ষম ব্যৱহাৰ আৰু লাভালাভৰ ভাগ যাতে সকলোৱে সম পৰিমাণে লাভ কৰিব পাৰে তাৰ প্ৰতিও দৃষ্টি দিয়ে;

৬। এই আইনৰ অধীনত সামৰা অন্যান্য কাৰ্যাৱলীকো কাৰ্যকৰী কৰা বা তেনে কোনো কাৰ্য - যি ৰাজ্য চৰকাৰে সমাধা কৰিবলৈ নিৰ্দেশনা দিয়ে।

**জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহ (BMC) ঃ**

জৈৱবৈচিত্ৰ্য আইন আৰু নীতিসমূহে স্থানীয় গোটসমূহক সিবিলাকৰ নিজ নিজ অঞ্চলত জৈৱবৈচিত্ৰ্য ব্যৱস্থাপন সমিতি গঠন কৰাৰ বিধান দিছে। অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদে ৰাজ্যৰ বিভিন্ন অঞ্চলত আঞ্চলিক পঞ্চায়ত স্তৰত জৈৱবৈচিত্ৰ্য সমিতি গঠনৰ পৰামৰ্শ দিছে। এই সমিতিসমূহে জৈৱবৈচিত্ৰ্যৰ সংৰক্ষণ আৰু তেনে উদ্দেশ্যৰ প্ৰসাৰ, জৈৱ বৈচিত্ৰ্যৰ এনেধৰণৰ প্ৰয়োগ যাতে ইয়াৰ ভাণ্ডাৰ শেষ হৈ নাযায় আৰু জৈৱবৈচিত্ৰ্যৰ তথ্য লিপিবদ্ধ কৰিব পৰা যায়। ইয়াৰ লগতে জৈৱ সম্পদৰ প্ৰকৃত উৎস ভূমিৰ সংৰক্ষণ, ভূমিভাগৰ বিশিষ্টতা, থলুৱা প্ৰজাতি আৰু কাল্টিভাৰ (cultivar)ৰ সংৰক্ষণ, ঘৰচীয়া কৰা জীৱ-জন্তু বৃদ্ধি আৰু সিবিলাকৰ সংৰক্ষণ, জীৱাণুৰ সংৰক্ষণ আৰু জৈৱবৈচিত্ৰ্যৰ লগত জড়িত জ্ঞানৰ ক্ৰমানুসৰি লিপিবদ্ধকৰণ।

**জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিৰ সদস্যসকল ঃ**

উপ নিয়ম (1)ৰ অধীনত গঠিত হোৱা জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহ স্থানীয় গোটে নিৰ্বাচিত কৰা সাত গৰাকী ব্যক্তিৰ দ্বাৰা গঠন কৰা হ'ব। সমিতিৰ শীৰ্ষত থাকিব এগৰাকী অধ্যক্ষ। সমিতিৰ সদস্যৰ ভিতৰত মহিলা সদস্যৰ সংখ্যা এক তৃতীয়াংশতকৈ কম হ'ব নালাগিব। যিসকল ব্যক্তিয়ে জৈৱবৈচিত্ৰ্য ব্যৱস্থা সমিতিৰ কাৰ্য ৰূপায়ণত বিশিষ্ট অৰিহণা আগবঢ়াব পাৰে বুলি স্থানীয় গোটটোৱে বিশ্বাস কৰে, তেনে স্থানীয় বিজ্ঞ ব্যক্তিক সমিতিলৈ নিৰ্বাচিত কৰা হয়। সেই নিৰ্বাচিত ব্যক্তিসকলৰ ভিতৰত বনৌষধ বিশেষজ্ঞ, কৃষিবিদ, কাঠৰ বাহিৰে অন্যান্য বনজাত উৎপাদিত দ্ৰব্যৰ সংগ্ৰহকাৰী, সমাজকৰ্মী, মাছমৰীয়া সম্প্ৰদায়ৰ প্ৰতিনিধি, শিক্ষাবিদ আৰু অন্যান্য বিশিষ্ট ক্ষেত্ৰত অৰিহণা যোগোৱা ব্যক্তি অন্যতম। অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ প্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত সমিতিয়ে এইটো দিশৰ প্ৰতি চকু দিব লাগিব যাতে সমিতিত তেনে নিৰ্বাচিত প্ৰতিনিধিৰ অনুপাত সেই জিলাৰ সেই সেই অনুসূচিত জাতি আৰু জনজাতিৰ জনসংখ্যাৰ অনুপাতে কম নহয়। ওপৰত উল্লেখ কৰি অহা সকলো সেই নিৰ্দিষ্ট স্থানীয় গোটৰ ভিতৰুৱা অঞ্চলৰ বাসিন্দা হোৱাৰ লগতে তেওঁলোকৰ নাম মত দাতাৰ তালিকাতো থাকিব লাগিব।

**জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিৰ কাৰ্যাৱলী (BMC) ঃ**

১। স্থানীয় লোকৰ পৰামৰ্শ লৈ জৈৱবৈচিত্ৰ্য ব্যৱস্থাপনা সমিতিসমূহে লোক জৈৱবৈচিত্ৰ্য পঞ্জীয়ন পুস্তক (People's Biodiversity Registers (PBR)) প্ৰস্তুত কৰে। এই পঞ্জীয়ন পুস্তকত সেই সেই অঞ্চলৰ স্থানীয় জৈৱ সম্পদসমূহ সহজলভ্যতা আৰু সম্পদসমূহৰ লগত জড়িত জানিবলগীয়া কথাৰ বিস্তৃত তথ্য থাকিব লাগিব, তাত থাকিব লাগিব সেই সম্পদসমূহৰ ঔষধী বা অন্যান্য ব্যৱহাৰযোগ্য দিশৰ বিৱৰণ বা তাৰ লগত জড়িত অন্যান্য পৰম্পৰাগত জ্ঞান।




